# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 04-04-2024
**Time :** 1845 Hrs

# *Assamese Evening Bulletin*
## *HEADLINES*
***- - - - - - -***

১। লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ মনোনয়ন পত্ৰ দাখিল প্ৰক্ৰিয়াৰ সামৰণি। কাইলৈ মনোনয়ন পত্ৰ পৰীক্ষা।
২। ৰাজ্যৰ বিভিন্ন স্থানত বিজেপি, কংগ্ৰেছকে ধৰি অন্যান্য ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নগাঁও লোকসভা সমষ্টিত প্ৰচাৰ।
৩। অসম লোকসেৱা আয়োগৰ পৰীক্ষাত সংঘটিত অনিয়মৰ তদন্তৰ প্ৰতিবেদন শীঘ্ৰে গুৱাহাটী উচ্চ ন্যায়ালয়ত দাখিল কৰা হ'ব বুলি ৰাজ্য চৰকাৰৰ প্ৰকাশ।
৪। চীনত অনুষ্ঠিত হ'বলগীয়া উবেৰ কাপৰ ভাৰতীয় দলত অস্মিতা চলিহা আৰু ঈশাৰাণী বৰুৱাৰ স্থান লাভ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ পাঞ্জাব কিংছৰ মুখামুখি।

০০০০০

লোকসভা নিৰ্বাচনৰ দ্বিতীয় পৰ্যায়ৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ প্ৰক্ৰিয়া আজি সামৰণি পৰে। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু কেন্দ্ৰীয়শাসিত অঞ্চলৰ ৮৮টা সমষ্টিত নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ ভিতৰত অসমৰ ৫টা সমষ্টি ক্ৰমে দৰং-ওদালগুৰি, ডিফু, কৰিমগঞ্জ, শিলচৰ আৰু নগাঁও আছে।

মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিনা আজি ৰাজ্যত কেইবাগৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি ভবেশ কলিতা, মন্ত্ৰী পীযূষ হাজৰিকা, মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা, কেশৱ মহন্তকে ধৰি বহুকেইগৰাকী বিধায়ক উপস্থিত থাকে। আনহাতে দৰং-ওদালগুৰি সমষ্টিৰ বিজেপি প্ৰাৰ্থী দিলীপ শইকীয়াই আজি মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাকে ধৰি কেইবাগৰাকী শীৰ্ষ নেতা উপস্থিত থাকে।

ইপিনে ৯ নম্বৰ নগাঁও সংসদীয় সমষ্টিৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী প্ৰদ্যুৎ বৰদলৈয়ে আজি জিলা নিৰ্বাচনী ৰিটাৰ্ণিং বিষয়াৰ ওচৰত মনোনয়ন দাখিল কৰে। আনহাতে সমষ্টিটোত জয়প্ৰকাশ জনতা দলৰ প্ৰাৰ্থী অনুপম বৰুৱা আৰু এ আই ইউ ডি এফৰ প্ৰাৰ্থী আমিনুল ইছলামে মনোনয়ন পত্ৰ দাখিল কৰে। কৰিমগঞ্জ সমষ্টিৰ আই এন ডি আই মিত্ৰজোঁটৰ সমৰ্থিত ভাৰতীয় জাতীয় কংগ্ৰেছৰ মনোনীত প্ৰাৰ্থী হাফিজ ৰছিদ আহমেদ চৌধুৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। এই মনোনয়ন পত্ৰ দাখিলৰ সময়ত জিলা কংগ্ৰেছৰ সভাপতি, প্ৰাক্তন

সভাপতিকে ধৰি আন কেইবাগৰাকী ব্যক্তি উপস্থিত থাকে। ডিফু লোকসভা সমষ্টিৰ পৰা গণ সুৰক্ষা সমিতিৰ প্ৰাৰ্থী জন বেনাৰ্ড ছাংমাই মনোনয়ন পত্ৰ দাখিল কৰে।

উল্লেখযোগ্য যে কাইলৈ মনোনয়নপত্ৰসমূহ পৰীক্ষা কৰা হ'ব আৰু ৮ এপ্ৰিল হ'ব মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিন।

০০০০০

আসন্ন লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ বিভিন্ন স্থানত শাসনাধিষ্ঠিত বিজেপি মিত্ৰজোঁটকে ধৰি অন্যান্য ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান অব্যাহত আছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নগাঁও লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী সুৰেশ বৰাৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায়। মুখ্যমন্ত্ৰীয়ে নগাঁৱৰ পানীগাঁও চাৰিআলিত থকা ডচন স্কুল খেলপথাৰত এখন নিৰ্বাচনী সভাত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে। এই সভাৰ পাছতে সুৰেশ বৰাই নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিল কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই লগতে আজি শোণিতপুৰ লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী ৰঞ্জিত দত্তৰ হৈ ঢেকীয়াজুলিত প্ৰচাৰ চলায়। নিজৰ ভাষণত মুখ্যমন্ত্ৰীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত সবকা সাথ সবকা বিকাশ নীতিৰে দেশ আগবাঢ়ি গৈছে বুলি মন্তব্য কৰি কয় যে, এই সময়ছোৱাত দেশত শান্তি স্থাপন হোৱাৰ লগতে দৰিদ্ৰ শ্ৰেণীৰ লোকসকলে চৰকাৰী সুবিধাসমূহ লাভ কৰিবলৈ সক্ষম হ'ল। ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে আজি মাৰ্ঘেৰিটাত কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়।

আনহাতে বিত্ত মন্ত্ৰী অজন্তা নেওগে যোৰহাট সমষ্টিৰ প্ৰাৰ্থী তপন গগৈৰ সমৰ্থনত বৰহোলা অঞ্চলৰ ঠায়ে ঠায়ে কেইবাখনো প্ৰচাৰ সভাত অংশ লয়। বৰহোলা সোণোৱাল কছাৰী সাংস্কৃতিক বিকাশ কেন্দ্ৰত অনুষ্ঠিত নিৰ্বাচনী প্ৰচাৰ সভাত ভালেসংখ্যক কংগ্ৰেছ কৰ্মীয়ে বিজেপিত যোগদান কৰে। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে তিতাবৰ সমষ্টিৰ ৮৩ নম্বৰ নামচুঙি পঞ্চায়তত প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। সভাত জিলা বিজেপিৰ সভাপতি হেমন্ত কলিতা, ঠেঙাল কছাৰী স্বায়ত্বশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰীকে ধৰি অসম গণ পৰিষদৰ কাৰ্যকৰ্তাসকল উপস্থিত থাকে।

ইপিনে যোৰহাট সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী গৌৰৱ গগৈয়ে আজি মাজুলীৰ নামনি আৰু পূব কলিতাপাৰ, নতুন চাপৰি, চেৰপাইখোৱা আদিকে ধৰি কেইবাখনো নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী ৰ'জলীনা তিৰ্কীয়ে কলিয়াবৰৰ মিছাত নিৰ্বাচনী কাৰ্যালয় মুকলি কৰাৰ লগতে মিছামুখ, হালোৱা গাঁও, শিলঘাট, কেলিডেন চাহ বাগিচা, শালনা আদি অঞ্চলত প্ৰচাৰ চলায়।

০০০০০

ৰাজ্যৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কৈছে যে, এইবাৰ নিৰ্বাচনত নিয়োজিত হ'বলগীয়া কৰ্মচাৰীসকলে নিৰ্বাচনৰ দিনটোৰ বাবে মৰগীয়া বানচ লাভ কৰাৰ উপৰি পৰিবহনৰ সুবিধা আৰু থকা খোৱাৰ ব্যৱস্থা লাভ কৰিব। তেওঁ লগতে কয় যে, নিৰ্বাচনী দায়িত্বত নিয়োজিত ব্যক্তি যদি কিবা কাৰণত অসুস্থ হয় তেন্তে তেওঁলোকক আয়ুষ্মান ভাৰত জন আৰোগ্য যোজনাৰ অধীনত বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰা হ'ব। নিৰ্বাচনী দায়িত্বত নিয়োজিত কোনো ব্যক্তিৰ দুৰ্ঘটনাগ্ৰস্ত হ'লে বা তেওঁলোকৰ প্ৰাণহানি হলেও তৎকালিনভাৱে পৰিয়ালক সাহায্য দিয়াৰ ব্যৱস্থা কৰা হ'ব বুলি মুখ্য নিৰ্বাচনী বিষয়াগৰাকীয়ে প্ৰকাশ কৰে।

*ঃঃ ভইচ ঃঃ*

০০০০০

লোকসভা নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে বিভিন্ন জিলা প্ৰশাসনে প্ৰস্তুতি তীব্ৰতৰ কৰি তুলিছে। শিৱসাগৰ জিলাত নিৰ্বাচনী প্ৰস্তুতিৰ অংশ হিচাপে বিভিন্ন পৰ্যায়ত প'লিং, প্ৰিজাইডিং তথা সূক্ষ্ম পৰ্যবেক্ষক সকলক প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। জিলাখনৰ ডিমৌ বিধানসভা সমষ্টিৰ ৪৮১টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু শিৱসাগৰ বিধানসভা সমষ্টিৰ ২৬৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ প্ৰস্তুতি অন্তিম পৰ্যায়ত উপনীত হৈছে। মহিলা সবলীকৰণৰ বাবে ভাৰতীয় নিৰ্বাচন আয়োগে হাতত লোৱা বিধি অনুযায়ী দুয়োটা বিধানসভা সমষ্টিৰ প্ৰত্যেকটে চাৰিটাকৈ ভোটগ্ৰহণ কেন্দ্ৰ মহিলাৰ দ্বাৰা পৰিচালিত কৰাৰ ব্যৱস্থা কৰা হৈছে। আনহাতে ভোটাৰসকলক সজাগ কৰাৰ লক্ষ্যৰে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত গছপুলি ৰোপণ, আল্পনা অংকন আদিকে ধৰি বিভিন্ন কাৰ্যসূচী হাতত লোৱা হৈছে।

গোলাঘাট নিৰ্বাচনী জিলাত ভোটদাতাৰ সজাগতা বাবে ছুইফ্ কোষৰ উদ্যোগত এখন বাটৰ নাট প্ৰদৰ্শন কৰা হয়। জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত বাটৰ নাট প্ৰদৰ্শনৰ জৰিয়তে ভোটদাতাসকলক ১৯ এপ্ৰিলত ভোটদান কৰিবলৈ আহ্বান জনোৱা হয়।

ইফালে সমাগত লোকসভা নিৰ্বাচনত মৰিগাঁও জিলাৰ প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰকে আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰসদৃশ ৰূপ দিয়াৰ প্ৰয়াস কৰা হৈছে বুলি জিলা আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়াই প্ৰকাশ কৰিছে। জিলাখনৰ ৫২৯টা ভোটগ্ৰহণ কেন্দ্ৰৰ বিদ্যালয়ৰ প্ৰধান শিক্ষকসকলৰ উপস্থিতিত আয়োজন কৰা এখন সভাত জিলা আয়ুক্তগৰাকীয়ে নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত প্ৰতিটো ভোটগ্ৰহণ কেন্দ্ৰক আকৰ্ষণীয় আৰু উৎসৱমুখৰ কৰি তুলিবলৈ আহ্বান জনায়।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে আজি কোকৰাঝাৰ সমষ্টিৰ সাংসদ নব কুমাৰ শৰণীয়াৰ সপক্ষে পূৰ্বৰ এজনীয়া বিচাৰপীঠে দিয়া এটা নিৰ্দেশ খাৰিজ কৰিছে। ইয়াৰ লগে লগে শ্ৰীশৰণীয়াই কোকৰাঝাৰ লোকসভা সমষ্টিৰ পৰা পুনৰ সাংসদ হিচাপে প্ৰতিদ্বন্দ্বিতা কৰাৰ সম্ভাৱনাত জটিলতাৰ সৃষ্টি হৈছে। উল্লেখযোগ্য যে এজন ব্যক্তিৰ অভিযোগৰ ভিত্তিত অসম চৰকাৰৰ ৰাজ্যিক পৰ্যায়ৰ নিৰীক্ষণ সমিতিয়ে সাংসদগৰাকী বড়ো-কছাৰী সম্প্ৰদায়ৰ অন্তৰ্গত নহয় বুলি নিৰ্দেশনা প্ৰদান কৰিছিল। এই নিৰ্দেশৰ পাছতেই জনজাতি পৰিক্ৰমা বিভাগে শ্ৰীশৰণীয়াৰ অনুসূচিত জনজাতিৰ প্ৰমাণপত্ৰখন বাতিল কৰে। সাংসদগৰাকীয়ে ইয়াৰ প্ৰত্যাহ্বান জনাই উচ্চ ন্যায়ালয়ত দাখিল কৰা লেখ আবেদনৰ ভিত্তিত এজনীয়া বিচাৰপীঠে সকলো চৰকাৰী নিৰ্দেশত স্থগিতাদেশ জাৰি কৰিছিল যদিও আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠে এই স্থগিতাদেশ খাৰিজ কৰে। ন্যায়ালয়ৰ লগতে সাংসদগৰাকীৰ এজনীয়া বিচাৰপীঠত চলি থকা গোচৰটো প্ৰয়োজন সাপেক্ষে দৈনন্দিন ভিত্তিত শুনানি লৈ নিষ্পত্তি কৰিবলৈও নিৰ্দেশনাটোত উল্লেখ কৰে।

০০০০০

অসম লোকসেৱা আয়োগৰ ২০১৩ বৰ্ষৰ পৰীক্ষাত সংঘটিত অনিয়ম সন্দৰ্ভত বিশেষ তদন্তকাৰী গোটে শীঘ্ৰেই প্ৰতিবেদন দাখিল কৰিব। এখন ৰাজহুৱা স্বাৰ্থ জড়িত আবেদনৰ শুনানি কালত চৰকাৰী অধিবক্তাই গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মজিয়াত এই কথা অৱগত কৰে। অধিবক্তাই লগতে আদালতক জনাই যে, চৰকাৰে গঠন কৰা বিশেষ তদন্তকাৰী গোটে ইতিমধ্যে তদন্ত সম্পূৰ্ণ কৰিছে। সেয়েহে তদন্তৰ প্ৰতিবেদনখন দাখিল কৰাৰ বাবে

চৰকাৰী অধিবক্তাই আদালতৰ পৰা সময়  বিচাৰে। ফলত ন্যায়ালয়ে ৰাজহুৱা স্বাৰ্থজড়িত আবেদনখনৰ পৰৱৰ্তী শুনানিৰ তাৰিখ ২২ এপ্ৰিল ধাৰ্য কৰিছে।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি মৰিগাঁও জিলাৰ জালুগুটি একশৰণ ভাগৱতী সমাজৰ প্ৰতিষ্ঠাপক সভাপতি প্ৰয়াত ইলাৰাম দাসৰ বাসগৃহত উপস্থিত হয়। তেওঁ লগতে গুৰুগৃহতো প্ৰৱেশ কৰি আশিস নিৰ্মালী লয়। ইলাৰাম দাসৰ আধ্যাত্মিক জ্যোতিয়ে অসমখনক সদায় আলোকিত কৰি ৰাখিব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে আশা প্ৰকাশ কৰে।

ooooo

ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰশিল্প বিভাগে আজি মেচিনত বোৱা গামোচাৰ বিৰুদ্ধে মহানগৰীৰ ফাঁচী বজাৰত অভিযান চলায়। অভিযানকাৰী দলটোৱে কেইবাখনো দোকানৰ পৰা ৫৮ খন মেচিনত বোৱা গামোচা জব্দ কৰে। উল্লেখযোগ্য যে, অসমীয়াৰ গামোচাখনে  ভৌগোলিক মান্যতা লাভ কৰাৰ পাছতো একাংশ অসাধু ব্যৱসায়ীয়ে ৰঙালী বিহুৰ সুযোগ লৈ মেচিনত বোৱা গামোচা বিক্ৰী কৰি আহিছে। বিভাগীয় এটা সূত্ৰই জনোৱা মতে গণেশগুৰি, ফাঁচী বজাৰ আদিত অভিযান চলাই এতিয়ালৈ মুঠ ৩৫০ খন মেচিনত বোৱা গামোচা জব্দ কৰে।

ooooo

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৭৬ সংখ্যক প্ৰতিষ্ঠা দিৱস উপলক্ষে কাইলৈ কটন বিশ্ববিদ্যালয়ৰ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভা প্ৰেক্ষাগৃহত সন্ধিয়া ৫ বজাৰ পৰা এটা অনুষ্ঠানৰ আয়োজন কৰা হৈছে। দেশৰ প্ৰাক্তন মুখ্য ন্যায়াধীশ ৰঞ্জন গগৈ অনুষ্ঠানটোত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশসকলৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

ooooo

উকিল সন্থা, গুৱাহাটীৰ উদ্যোগত আজি প্ৰয়াত জ্যেষ্ঠ অধিবক্তা ৰোহিনী কুমাৰ দাসৰ স্মৃতিত এখন ব্যক্তৃতা অনুষ্ঠান অনুষ্ঠিত হয়। **ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা আৰু ভাৰতীয় সাক্ষ্য অধিনিয়মত সূচনা কৰা প্ৰধান পৰিৱৰ্তন** শীৰ্ষক বক্তৃতা অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ সৌমিত্ৰ শইকীয়া, অৱসৰপ্ৰাপ্ত ন্যায়াধীশ ক্ৰমে বি পি কটকী আৰু মীৰ আলফাজ আলীয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত বহুকেইগৰাকী অধিবক্তা উপস্থিত থাকে।

ooooo

বিটিচি প্ৰশাসনৰ মীন বিভাগে মাছৰ বংশবৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি ১ এপ্ৰিলৰ পৰা ১৫ জুলাইলৈকে বিটিআৰত মাছ ধৰাত নিষেধাজ্ঞা জাৰি কৰিছে। একেদৰে আজি তামুলপুৰ জিলা প্ৰশাসনেও জিলাখনত এই নিষেধাজ্ঞা জাৰি কৰে। তামুলপুৰ জিলা আয়ুক্তই প্ৰকাশ কৰা মতে জিলাখনত আঢ়ৈ বৰ্গ ইঞ্চিতকৈ কম ব্যাসাৰ্ধৰ যিকোনো জালৰ ব্যৱহাৰ নিষিদ্ধ কৰা হৈছে। লগতে কণী থকা মাছ ধৰাৰ ক্ষেত্ৰতো প্ৰতিবন্ধকতা আৰোপ কৰা হৈছে।

ooooo

অসম আৰক্ষীৰ বিশেষ কাৰ্যকৰী গোটে আজি অভিযান চলাই গড়চুকৰ আই এছ বি টিৰ পৰা এজন নকল সোণৰ সৰবৰাহকাৰীক আটক কৰে। আৰক্ষীয়ে জানিবলৈ দিয়া মতে ধৃত লোকজন হ'ল উত্তৰ লখিমপুৰৰ নকাৰীৰ

জাকিৰ হুছেইন। লোকজনৰ পৰা আৰক্ষীয়ে প্ৰায় ডেৰ কিলোগ্ৰাম ওজনৰ এখন নকল সোণৰ নাও, দুটা ম'বাইল ফোন আৰু নগদ ধন জব্দ কৰে। অধিক তথ্যৰ বাবে আৰক্ষীয়ে লোকজনক সোধাপোছা অব্যাহত ৰাখিছে।

০০০০০

০০০০০

ধুবুৰীৰ ছাগলীয়া বন বিভাগে আজি কাঠৰ চোৰাং সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান চলাই বৃহৎ পৰিমাণৰ কাঠৰ কুণ্ডা জব্দ কৰে। অভিযানকাৰী দলটোৱে কৈমাৰী পঞ্চমখণ্ড গাঁৱৰ গংগাধৰ নৈৰ কাষৰ পৰা এই চোৰাং কাঠখিনি জব্দ কৰিবলৈ সক্ষম হয়।

০০০০০

তামুলপুৰ জিলাৰ সৌৰাগুৰিৰ এখন সুৰাৰ বিপনীত আবকাৰী বিভাগে অভিযান চলাই বুজন পৰিমাণৰ সুৰা জব্দ কৰাৰ লগতে বিপনীখন বন্ধ কৰে। যোৱা ৩০ মাৰ্চতো বিপনীখনত আৰক্ষীয়ে অভিযান চলাই ৫৮০ টা অবৈধ সুৰাৰ কাৰ্টুন জব্দ কৰিছিল।

ইফালে ধুবুৰী জিলাৰ বিলাসীপাৰাত আৰক্ষীয়ে অভিযান চলাই নিষিদ্ধ ড্ৰাগছ সহ দুই সৰবৰাহকাৰীক আটক কৰে। সৰবৰাহকাৰী দুজনৰ জিম্মাৰ পৰা ৪৪ গ্ৰাম হিৰ'ইন, ৪৪ টা ড্ৰাগছ ভৰ্তি কণ্টেইনাৰ, ৬ বটল নিষিদ্ধ কফচিৰাপৰ লগতে নগদ ১৮ হাজাৰ টকা জব্দ কৰে।

০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে উত্তৰ-পূৰ্বাঞ্চলত দেওবাৰলৈকে ধুমুহা, বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। এই সময়ছোৱাত অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আনহাতে, অৰুণাচল প্ৰদেশত ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে।

০০০০০

ভাৰতীয় বেডমিণ্টন সংস্থাই ২৭ এপ্ৰিলৰ পৰা অনুষ্ঠিত হ'বলগীয়া BWF থমাছ আৰু উবেৰ কাপ ফাইনেল ২০২৪ৰ বাবে পুৰুষ আৰু মহিলা দলৰ খেলুৱৈৰ নাম ঘোষণা কৰিছে। চীনৰ চেংডুত ৫ মে'লৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাৰ বাবে অন্যান্য খেলুৱৈসকলৰ লগতে অসমৰ অস্মিতা চলিহা আৰু ঈশাৰাণী বৰুৱাক নিৰ্বাচিত কৰিছে। উল্লেখ্য যে আজিৰ পৰা তিনি দশক পূৰ্বে অসমৰ মল্লিকা শৰ্মা বৰুৱাই উবেৰ কাপত স্থান লাভ কৰিছিল। ভাৰতীয় বেডমিণ্টন সংস্থাৰ সাধাৰণ সম্পাদক সঞ্জয় মিশ্ৰই খেলুৱৈ নিৰ্বাচন সন্দৰ্ভত কয় যে, এখন উচ্চ পৰ্যায়ৰ নিৰ্বাচন সমিতিয়ে খেলুৱৈসকলক নিৰ্বাচিত কৰিছে। থমাছ কাপৰ একক শাখাত- এইছ এছ প্ৰণয়, লক্ষ্য সেন, কিদাম্বি শ্ৰীকাণ্ট, প্ৰিয়াংশু ৰাজৱাত আৰু কিৰণ জৰ্জ নিৰ্বাচিত হৈছে। আনহাতে দ্বৈত শাখাত- স্বাত্বিকচাইৰাজ ৰেণকিৰেড্ডী, ছিৰাগ চেট্টী, এম আৰ অৰ্জুন, ধ্ৰুৱ ক'পিলা আৰু ছাই প্ৰতীকে স্থান লাভ কৰিছে।

ইফালে, উবেৰ কাপৰ একক শাখাত- অনমোল খাৰ্ব, তনভী শৰ্মা, অস্মিতা চলিহা আৰু ঈশাৰাণী বৰুৱাই নিৰ্বাচিত হোৱাৰ লগতে দ্বৈত শাখাত- শ্ৰুতি মিশ্ৰ, প্ৰিয়া ক'নজেংবাম, নিমৰান সিংহি আৰু ৰিতিকা ঠাকেৰে স্থান লাভ কৰিছে।

০০০০০

আই পি এল ক্রিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ্ পাঞ্জাব কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

ooooo

সমাপ্ত